# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-12-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ৰাজ্যিক নিৰ্বাচন আয়োগে ৰাজ্যৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদীয় সমষ্টিসমূহৰ পুনৰ নিৰ্ধাৰিত সীমা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ চূড়ান্ত তালিকা প্ৰকাশ কৰাৰ পাছতে ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ ব্যাপক তৎপৰতা পৰিলক্ষিত হৈছে। ৰাজ্যিক বিজেপিয়ে ইতিমধ্যে পঞ্চায়ত নিৰ্বাচন ব্যৱস্থাপনা সমিতি, ইস্তাহাৰ সমিতি ইত্যাদি গঠন কৰি বিভিন্ন আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদত নিৰ্বাচনী প্ৰস্তুতি আৰম্ভ কৰিছে। মিত্ৰদল অগপৰ সৈতে সাংগঠনিক জিলা অনুসৰি দলটোৱে আলোচনা অব্যাহত ৰাখিছে। আম আদমী পাৰ্টীয়েও আজি এখন প্ৰেছ বিজ্ঞপ্তিযোগে নিৰ্বাচন হ'বলগীয়া ২৭ খন জিলাৰ ১৮১ খন আঞ্চলিক পঞ্চায়ত আৰু ৩৯৭ খন জিলা পৰিষদৰ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি জানিবলৈ দিছে। দলৰ সাধাৰণ সম্পাদক ৰাজীৱ শইকীয়াই কয়, যে আসন্ন পঞ্চায়ত নিৰ্বাচনত ১০০ শতাংশ আসনতে দলটোৱে প্ৰতিদ্বন্দ্বিতা কৰিব। এইক্ষেত্ৰত আন কোনো দলৰ সৈতে বুজাবুজিৰ সম্ভাৱনা নাই বুলি শ্ৰী শইকীয়াই মন্তব্য কৰে। অত্যাৱশ্যকীয় সামগ্ৰী আৰু ঔষধৰ মূল্যবৃদ্ধি, চিকিৎসা সেৱাৰ মাচুল বৃদ্ধি আৰু উন্নয়নমূলক আঁচনি ৰূপায়ণ ইত্যাদি বিষয়ক দলটোৱে নিৰ্বাচনী প্ৰসংগ হিচাপত ল'ব বুলি তেওঁ জানিবলৈ দিয়ে।

ooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত চলি থকা অসম গ্ৰন্থমেলাৰ আজি চতুৰ্থ দিনাও ভালেকেইটা মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰকাশন পৰিষদৰ উদ্যোগত আজি বিয়লি চলচ্চিত্ৰৰ প্ৰচাৰ আৰু ব্যৱসায় সন্দৰ্ভত এখন আলোচনাসত্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ, অভিনেতা তথা পৰিচালক কেনি বসুমতাৰী, শ্যাম বৰা, অচিন্ত শংকৰ, অভিনেতা কমললোচন, প্ৰিয়ংকা বৰুৱা আদি আলোচক হিচাপে উপস্থিত থাকে। অপৰাজিতা পূজাৰীয়ে পৰিচালনা কৰিবলগীয়া এই আলোচনাত বিশিষ্ট অতিথি হিচাপে মুম্বাইৰ চলচ্চিত্ৰ প্ৰযোজক, পৰিচালক, লেখক মনোজ শ্ৰীবাস্তৱ উপস্থিত থাকে। ইয়াৰ উপৰি গ্ৰন্থমেলাৰ বাকৰিত আজি কেইবাখনো গ্ৰন্থও উন্মোচন কৰা হয়। গ্ৰন্থমেলাৰ আজিৰ কাৰ্যসূচী সম্পৰ্কত এয়া আমাৰ সংবাদদাতা হেমন্ত বৰাৰ সৈতে অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতা- **বাইট–**

ooooo

গোলাঘাট জিলাৰ খুমটাইৰ মেলামৰা ইক' টী টুৰিজ্যিম চেণ্টাৰত আজিৰেপৰা খুমটাই গছ আৰু ফুল উৎসৱ অনুষ্ঠিত হৈছে। খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াৰ নেতৃত্বত গ্ৰাম্য পৰ্যটনত নতুন চিন্তা-চেতনাৰ

উন্মেষ ঘটোৱাৰ উদ্দেশ্যেৰে এই উৎসৱৰ আয়োজন কৰা হৈছে। উদ্ভিদ আৰু ফুলৰ ব্যৱসায়ৰ সৈতে জড়িত যুৱ-উদ্যমীসকলক উৎসাহ যোগোৱাত খুমটাই গছ আৰু ফুল উৎসৱে সহায় কৰিব বুলি বিধায়ক শ্ৰী শইকীয়াই আশা প্ৰকাশ কৰিছে। ভাৰতৰ পখিলা মানৱ খ্যাত প্ৰকৃতিবিদ অৰুণাচল প্ৰদেশৰ ৰৌচন উপাধ্যায়ে আজি এই উৎসৱত অংশগ্ৰহণ কৰি শিশুসকলক বহনক্ষম উন্নয়ন আৰু প্ৰকৃতিৰ সৈতে সহবাস সম্পৰ্কে বাখ্যা আগবঢ়ায়। উল্লেখযোগ্য যে অসম বিধানসভাৰ উপাধ্যক্ষ নোমল মমিনে উদ্বোধন কৰা আজিৰ উৎসৱৰ কাৰ্যসূচীত সাংসদ কামাখ্যা প্ৰসাদ তাছাও উপস্থিত থাকে।

০০০০০

সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে শিৱসাগৰত ৩৫ সংখ্যক কেন্দ্ৰীয় ছহিদ দিৱস পালন কৰা হয়। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই দিৱসৰ কাৰ্যসূচীত প্ৰথমবাৰ্ষিক **ডামচাও ডিম্বেশ্বৰ গগৈ সোঁৱৰণী সমন্বয়** বঁটা প্ৰদান কৰা হয়। ছাত্ৰ সংগঠনটোৰ অন্যতম প্ৰতিষ্ঠাপক তথা প্ৰথমগৰাকী সাংগঠনিক সম্পাদক ডিম্বেশ্বৰ গগৈৰ সোঁৱৰণত প্ৰদান কৰা এই বঁটা নাগালেণ্ড চৰকাৰৰ পৰ্যটন আৰু উচ্চ শিক্ষা বিভাগৰ কেবিনেট মন্ত্ৰী টেমজেন ইমনা আলঙক প্ৰদান কৰা হয়। ছহিদ দিৱসৰ সৈতে সংগতি ৰাখি মৈদাম তৰ্পণ, বান ফি পূজা, সমন্বয় শোভাযাত্ৰা, মুকলি সভা আদি অনুষ্ঠিত কৰা হয়।

০০০০০

গোলাঘাট জিলাৰ বোকাখাতত কালি অল আছাম ফিজিক স্পৰ্টছ এছ'চিয়েচনৰ উদ্যোগত সদৌ অসম ভিত্তিত পুৰুষ আৰু মহিলাৰ শৰীৰচৰ্চা প্ৰতিযোগিতা অনুষ্ঠিত হয়। পুৰুষ-মহিলা আৰু জুনিয়ৰ শাখাত ১৫০ গৰাকীৰো অধিক শৰীৰচৰ্চাবিদে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন কৃষি মন্ত্ৰী অতুল বৰাই মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সমাপ্ত